**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং -৩১০**
**উত্তৰ দানৰ তাৰিখ-১৪/৭/২০২৬**

**বিষয় - পৰ্য্যটন ক্ষেত্ৰৰ উন্নয়ন**

**শ্ৰীমতী বেবী বেগম, বিধায়ক**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) আধুনিক বিশ্ব ব্যৱস্থাত পৰ্য্যটন ক্ষেত্ৰৰ গুৰুত্ব দ্ৰুতগতিত বৃদ্ধি পোৱাৰ বিষয়ে চৰকাৰ অৱগত হয় নে?

(খ) যদি অৱগত, ধুবুৰী জিলাৰ ঐতিহাসিক প্ৰতিষ্ঠান সমূহকলৈ পৰ্য্যটন ক্ষেত্ৰৰ দ্ৰুত বিকাশৰ সম্ভাৱনা আছেনে?

(গ) ধুবুৰী জিলালৈ পৰ্য্যটকক আকৰ্ষিত কৰিব পৰাকৈ কি কি ক্ষেত্ৰ আছে? এইবোৰৰ বৰ্তমান স্থিতি কি ? এই ক্ষেত্ৰসমূহ আটক ধুনীয়াকৈ সজাই পৰাই তুলিবলৈ চৰকাৰে ক্ষীপ্ৰ পদক্ষেপ গ্ৰহণ কৰিবনে ?

(ঘ) উক্ত সমষ্টিৰ অন্তৰ্গত চান্দাখোলা বিলক কেন্দ্ৰ কৰি এখনি পৰিবেশ পৰ্য্যটন উদ্যান (Eco-Tourism Park) নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিব নেকি ?

(ঙ) ধুবুৰী চহৰৰ পৰ্য্যটন আৱাস (Tourist Lodge) খন জৰাজীৰ্ণ হৈ থকাৰ বাবে বৰ্তমান বন্ধ হৈ আছে । এই পৰ্য্যটন আৱাসখনি আটকধুনীয়াকৈ নিৰ্মাণ কৰি পুনৰ মুকলি কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে ? (উত্তৰ বিস্তৃত তথ্যসহ দিব) ।

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

**(ক)** আধুনিক বিশ্ব–ব্যৱস্থাত পৰ্য্যটন ক্ষেত্ৰৰ গুৰুত্ব দ্ৰুতগতিত বৃদ্ধি পোৱাৰ বিষয়ে অসম পৰ্য্যটন বিভাগ নিশ্চিত ভাৱে অৱগত হয়।

**(খ)** ধুবুৰী জিলাৰ ঐতিহাসিক প্ৰতিষ্ঠানসমূহে ইতিমধ্যেই অসমৰ পৰ্য্যটন ক্ষেত্ৰত বিশিষ্ট স্থান গ্ৰহণ কৰিছে।অধিক প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যমেৰে আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ জৰিয়তে ধুবুৰীৰ পৰ্য্যটন ক্ষেত্ৰৰ অধিক বিকাশ হোৱাতো নিশ্চিত।

**(গ)** ধুবুৰী জিলালৈ পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ বহুতো ঐতিহাসিক, ধৰ্মীয়, সাংস্কৃতিক, প্ৰাকৃতিক, নদীকেন্দ্ৰিক পৰ্য্যটন ক্ষেত্ৰ আছে। ইয়াৰে মুখ্য পৰ্যটন ক্ষেত্ৰসমূহ আৰু ইয়াৰ বৰ্তমান স্থিতি তলত উল্লেখ কৰা হ'ল:-

**(I)** ধুবুৰী গুৰুদ্বাৰা:বৰ্তমান শিখ প্ৰবন্ধক সমিতিয়ে চলাই আছে।

**(II)** নেতাই ধুবুনী ঘাট: ধুবুৰী পৌৰসভাই পৰিচালনা কৰে। আন্তঃগাঁথনি উন্নয়নৰ যথেষ্ট সম্ভাৱনা আছে ইত্যাদি ।

**(III)** ৰাম ৰাই খুটিৰ সত্ৰ: এই সত্ৰখনক এক প্ৰসিদ্ধ ধৰ্মীয় আৰু সাংস্কৃতিক পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে।

**(IV)** মাটিয়াবাগ ৰাজবাৰী (মাটিয়াবাগ পেলেচ), গৌৰীপুৰ: ইয়াক এখন ঐতিহ্য সংগ্ৰহালয় **(Heritage Museum)** হিচাপে গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে ।

**(V)** আশাৰীকান্দি টেৰাকোটা গাঁও: এক সুসংগঠিত টেৰাকোটা শিল্পগাঁও আৰু গ্ৰাম্য পৰ্য্যটনস্থলী হিচাপে গঢ়ি তুলিবলৈ আন্তঃগাঁথনি উন্নয়নৰ যথেষ্ট সম্ভাৱনা আছে ইত্যাদি।

ইয়াৰ পৰ্য্যটন ক্ষেত্ৰসমূহ আটকধুনীয়াকৈ সজাই-পৰাই তুলিবলৈ প্ৰয়োজনীয় কাৰিকৰী সম্ভাৱনীয়তা, ভূমিৰ উপলব্ধতা, সংশ্লিষ্ট বিভাগসমূহৰ সমন্বয় আৰু চৰকাৰী আঁচনিৰ অধীনত পুঁজি উপলব্ধ হোৱাৰ ভিত্তিত পৰ্যায়ক্ৰমে পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়তো বিবেচনা কৰিব পৰা যাব।

পৰ্য্যটনৰ বিকাশৰ ক্ষেত্ৰত কেৱল পৰ্য্যটন বিভাগেই নহয় সংশ্লিষ্ট স্থানীয় নিগম নিকায় সমূহ বা পঞ্চায়ত সমূহেও ইয়াক সজাই পৰাই তোলাত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিব পাৰে।

**(ঘ)** চৰকাৰী আঁচনিৰ অধীনত পুঁজি উপলব্ধ হোৱাৰ ভিত্তিত বিবেচনা কৰিব পৰা যাব।

**(ঙ)** ধুবুৰী চহৰৰ পৰ্য্যটন ভৱনটি বৰ্তমান জৰাজীৰ্ণ অৱস্থাত থকাটো সত্য। পুঁজিৰ উপলব্ধতা অনুযায়ী পুনঃনিৰ্মাণ / মেৰামতিৰ কাম কৰি পুনৰ মুকলি কৰিব পৰা যাব।

**********

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly.